**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ৬ মে ২০১৬ চনত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুম্মাৰ খোতবাৰ সাৰাংশ ।**

তাছাহুদ, তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- প্ৰায় ১১ বছৰ আগত মই ইয়ালৈ আহিছো। সময় পাৰ হৈ যোৱাটো গমেই পোৱা নাযায়। তেতিয়াৰ সৰু ল'ৰাজনেই আজি ডেকা হৈ নিজৰ ল'ৰা-ছোৱালীৰ দেউতা হৈছে। আল্লাহ তায়লা ইয়াৰে জমাতৰ ওপৰত অপাৰ কৃপা বৰ্ষন কৰিছে। মছজিদৰ সৈতে বৃহত কোঠালি, কাৰ্যালয়, পুথিভঁৰাল আৰু লগতে অন্যান্ন সা-সুবিধাৰ ব্যাৱস্থা হৈছে। মছজিদৰ সন্মুখত লোৱা ঘৰ খন আহল-বহল কৰি অতিথিশালা, মিচন হাউচ আদিৰ ব্যাৱস্থা কৰা হৈছে। আল্লাহ তায়লা জমাতৰ বিভিন্ন অট্টালিকা, ঘৰ দুৱাৰ আদিৰ ক্ষেত্ৰত বহুত উন্নতি প্ৰদাণ কৰিছে। এই সকলো বিষয়তে আমি আল্লাহ তায়লাৰ কৃতজ্ঞতা জ্ঞাপন কৰা উচিত।

ইয়াৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- আমি আমাৰ চিন্তা ধাৰা মোমিন সকলৰ চিন্তা ধাৰালৈ সলনি কৰিব লাগিব। কেৱল মুখেৰে আলহামদুল্লিলাহ উচ্চাৰণ কৰি আনন্দিত হলেই নচলিব বৰং গমি চাব লাগিব যে আমি আল্লাহ তায়লাৰ নিৰ্দেশ সমুহ পালন কৰিছো নে ? আমি মোমিন সকলৰ দৰে জীৱন অতিবাহিত কৰি আছো নে নাই ? আল্লাহ তায়লা আপোনালোকৰ পূৰ্ব পৰুষ নাইবা আপোনালোকক আহমদীয়ত গ্ৰহন কৰাৰ সামৰ্থ দান কৰিছে এয়া আল্লাহ তায়লাৰ বিশেষ দয়া। আল্লাহ তায়লা নিশ্চয় কোনোবা নেকিৰ ফলস্বৰূপে উক্ত দয়া বৰ্ষণ কৰিছে। গতিকে নেকিৰ বাটত আগবাঢ়িগৈ নিজৰ অৱস্থাৰ পৰিবৰ্ত্তন সাধন কৰিব লাগিব। মনত ৰাখিব যদি আমি থমকি ৰৈ যাওঁ তেন্তে আমি ভৰিষ্যত বংশধৰ সকলক ধৰ্মৰ পৰা আতঁৰাই লৈ যোৱা অৰ্থাৎ হৰণ কাৰীত পৰিনত হ'ম। এনেকৈয়ে আমি আঁহজৰত (ছাঃ) ৰ ভৰিষ্যত বাণী অনুসৰি হজৰত মছিহ মাওউদ (আঃ) ক মান্য কৰাৰ পৰা আমাৰ বংশধৰক বঞ্চিত কাৰী হ'ম। যি সকলৰ বাপ, দাদা, আহমদী আছিল কিন্তু বংশধৰ সকলে আহমদীয়তৰ পৰা আঁতৰি গৈছে তেওঁ লোক নিজৰ বুজুৰ্গ সকলৰ দোৱাৰ পৰা বঞ্চিত থাকিব। যি বুজুৰ্গ সকলে আহমদীয়ত গ্ৰহন কৰি, বয়াতৰ দায়িত্ব পালন কৰি ইহলীলা সম্বৰণ কৰিছে। তেওঁলোকে এই ইচ্ছা আৰু দোৱাৰে সৈতে পৰলোক গমন কৰিছে যে সিহঁতৰ বংশধৰ সকলেও যেন এই প্ৰতিশ্ৰুতি পালন কাৰী হয়। গতিকে বৰ্তমান আপোনালোকৰ মাজত বহুতেই এনেকুৱা আছে যি সকলৰ চিন্তা কৰাৰ প্ৰয়োজন আছে যে সঁচাকৈয়ে আমি সেই প্ৰতিশ্ৰুতি পালন কাৰী হ'ব পাৰিছোনে যি শিক্ষা বুজুৰ্গ সকলে আমাক দিছিল। এনেদৰে যি সকলে নিজে আহমদীয়ত গ্ৰহণ কৰিছে তেওঁলোকে চালিজাৰি চাওঁক যে আমি ঈমানৰ বৃদ্ধি আৰু আমলৰ উন্নতি সাধন কৰিবলৈ চেষ্টা কৰিছো নে কেৱল এয়া সাময়িক আগ্ৰহৰ বাবে আহমদীয়ত গ্ৰহণ কৰিছো। লাভ আহৰণ আমাৰ তেতিয়া হ'ব যেতিয়া আমাৰ খোজ উন্নতিৰ ফালে আগবাঢ়ি যাব।

প্ৰত্যেক শ্ৰেণীৰ লোকেই যিসকলে আহমদীয়ত গ্ৰহণ কৰিছে সকলোৱে ইছলামৰ প্ৰকৃত শিক্ষাৰ ওপৰত আমল কৰিবলৈ যত্ন কৰিব লাগিব যাতে হজৰত মহম্মদ ৰছুলুল্লাহৰ পবিত্ৰ প্ৰাণ দাসৰ বয়াত গ্ৰহণৰ যি দায়িত্ব সেয়া পালন কৰা হয়। প্ৰত্যেক আহমদী নৰ-নাৰীয়ে চালি জাৰি চোৱা উচিত যে নিজৰ অৱস্থা হজৰত মছিহ মাওউদ (আঃ) ৰ শিক্ষাৰ আলোকত পৰিচালিত কৰিছো নে নাই, নিজৰ ল'ৰা-ছোৱালীক এনেদৰে শিক্ষা দিছো নে নাই, যে ধৰ্মক পাৰ্থিব সকলো বস্তুৰ ওপৰত প্ৰধান্য দিয়াৰ বিবেক হৃদয়ত জন্ম লাভ কৰিছে। আমি লক্ষ্য কৰা উচিত যে আমাৰ নামাজ, আমাৰ ইবাদত আৰু আমাৰ প্ৰত্যেক আমল আল্লাহ তায়লা আৰু তাৰ ৰছুলৰ নিৰ্দেশিত শিক্ষা অনুসৰি হৈছে নে নাই ?

হজৰত মছিহ মাওউদ (আঃ) য়ে বৰ বেদনাৰে সৈতে জমাতৰ উপদেশ প্ৰদান কৰিছে যে আমাৰ জমাতৰ বাবে অতি প্ৰয়োজন হ'ল যে আজিৰ এই অন্ধকাৰ যুগত য'ত চাৰিওফালে অজ্ঞতা, অৱহেলা আৰু পথভ্ৰষ্টতাৰ প্ৰৱল

ধুমুহা বৈ আছে তাত নিজে তাকওয়া অৰ্জন কৰে। পৃথিৱীৰ আজি এনে অৱস্থা হৈছে যে আল্লাহ্ তায়লাৰ নিৰ্দেশ আৰু নিজৰ কৰিবলগীয়া দায়িত্ব প্ৰতি কোনো গুৰুত্ব নাই। পাৰ্থিৱ কামত মাত্ৰাধিক ব্যাস্ত হৈ পৰিছে। সাধাৰণ পাৰ্থিৱ লোকচান দেখিলেই ধৰ্মক এৰাই চলে। এনেদৰে আল্লাহ্ তায়লাৰ হ'ক আদায় নকৰা হৈ যায়। মানুহ লোভ লালসাৰ বশবৰ্ত্তী হৈ গোনাহৰ প্ৰতিও ভয় নকৰা হৈ গৈছে। যদিও কোনোবাই গোনাহৰ পৰা আঁতৰত থাকে সেয়া কিন্তু নেকিৰ প্ৰভাত নহয়, সেয়া কেৱল কিছুমান বস্তুৰ ভয়ত সাহস নোপোৱাৰ বাবেহে। কিন্তু যেতিয়া সেই ভয় আতৰি যায় লগে-লগে গোনাহ কৰিবলৈ আৰম্ভ কৰে। আজিৰ যুগত বিচাৰিলে প্ৰত্যেক ঠাইতে গম পোৱা যাব যে সচাঁকৈয়ে প্ৰকৃত তাকওয়া পাবলৈ নাইকীয়া হৈছে আৰু প্ৰকৃত ঈমান নোহোৱা হৈছে- **ইন্না নাহনু নাজ্জা লনাজ্জিকৰা ওয়া ইন্না লাহু লাহাফিজুন** বাক্য অনুসৰি আল্লাহ্ তায়লা কোৰ'আন মজিদ বৰ্তমান ৰাখিছে, বহুত হাদিছ্ বৰ্তমান ৰাখিছে আৰু ইয়াৰ বৰকাত বিদ্ধমান আছে, কিন্তু মানৱ হৃদয়ত ঈমান আৰু আমলৰ তুলাচনী বন্ধ হৈ পৰিছে। সেই বাবেই আল্লাহ্ তায়লা ইসহঁতৰ বিপৰীতে এটা নতুন জীৱিত জাতিৰ সৃষ্টি কৰিব বিচাৰে, তাৰ বাবেই আমাৰ তবলিগ যাতে আমি তাকওয়া পূৰ্ণ জীৱন অৰ্জন কাৰী হওঁ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- বেলেগৰ কথা বাদ- আমি যি সকলে তেখেত (আঃ) ৰ বয়াত গ্ৰহনৰ দাবী কৰো তাৰ মাজত কেইজন আছে যি সকলে আল্লাহ্ তায়লাৰ নিৰ্দেশ সমূহ নিজৰ ওপৰত ধাৰণ কৰি লৈছে। আল্লাহ্ তায়লায় কৈছে যে মই জ্বিন আৰু ইনছানক ইবাদত কৰিবলৈ সৃজন কৰিছো। গতিকে আমি নিজৰ পাৰ্থিৱ কাম-কাজ নিজৰ ইবাদতৰ বাবে ক্ষন্তেক এৰি দিওঁনে? ইয়াৰ বিপৰীতে পাৰ্থিৱ কামৰ বাবে ইবাদতহে এৰি দিওঁ। আনহাতে আল্লাহ্ তায়লা কৈছে যে সৌহাৰ্দ্যপূৰ্ণ ব্যাৱহাৰ কৰা কিন্তু বহুতেই এনেকুৱা আছে যি সকলে সৌহাৰ্দ্যতা দুৰৰ কথা বেলেগৰ প্ৰাপ্য আত্মসাৎ কৰিবলৈ চেষ্টা কৰে। আকৌ এনেকুৱা কিছুমান লোক আছে যি সকলে পাৰ্থিৱ লোকচান হ'লে ধৈৰ্য্য ধাৰণ নকৰে কিন্তু ধৰ্মীয় ক্ষেত্ৰত লোকচান হ'লে কোনো উমগামেই নকৰে। আমাৰ মাজত কিছুমান লোক আছে যি সকলে নিজৰ ক্ৰোধ দমন কৰিব নোৱাৰে আৰু সাধাৰণ বিষয়তেই ক্ৰোধান্বিত হৈ পৰে। যদি বেলেগ লোক এনেকুৱা কৰে তেন্তে আমি কব পাৰো যে এওঁলোক অজ্ঞ। যদি আমাৰ মাজত কোনোবাই এনেকুৱা কৰে তেন্তে সেয়া আমাৰ বাবে পৰিতাপৰ বিষয়। গতিকে আমি হজৰত মছিহ মাওউদ (আঃ) ৰ এই বাক্য মনত ৰাখিব লাগিব যে আল্লাহ্ তায়লা এটা প্ৰাণৱন্ত জাতিৰ সৃষ্টি কৰিব বিচাৰে, সেয়া আমি উক্ত প্ৰাণ সঞ্চাৰিত হোৱা সফলৰ অন্তৰ্ভুক্ত হ'বলৈ বয়াত কৰিছো সেইবাবে আমি তেখেত (আঃ) ৰ কথাৰ ওপৰত মনযোগ নিৱদ্ধ কৰিব লাগিব যাতে প্ৰাণৱন্ত জাতি অন্তৰ্ভুক্ত হ'ব পাৰো।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে - যিজন ব্যাক্তিয়ে কায়মনোবাক্যে আল্লাহ্ তায়লাক ভয় কৰি তাৰ সান্নিধ্যৰ বাট বিচাৰে। তেন্তে তাক আল্লাহ্ তায়লাৰ আইন অনুসৰি বাটৰ সন্ধান দিয়ে। যেতিয়ালৈকে মানুহ পবিত্ৰ হৃদয় আৰু সত আচৰণেৰে সকলো নাজায়েজ বাট আৰু আশা আকাংক্ষাৰ দুৱাৰ বন্ধ কৰি হাত নাপাতে তেতিয়ালৈকে আল্লাহ্ তায়লাৰ কৃপা লাভ কৰিব নোৱাৰে। কিন্তু যেতিয়া কোনোবাই আল্লাহ্ তায়লাৰ দুৱাৰত উপস্থিত হৈ দুৱা কৰে তেতিয়া তাৰ ওপৰত আল্লাহ্ তায়লাৰ দয়া বৰ্ষিত হয়। আল্লাহ্ তায়লা মানুহৰ হৃদয়ৰ অৱস্থা আঁহে-আঁহে জানে। যদি তাৰ কোনো অংশত কোনো ধৰণৰ অন্ধকাৰ, শিৰিক, বিদাতৰ অংশ থাকে তেন্তে তাৰ ইবাদত তেওঁৰ মুকলৈ ওভতাই পঠায়। এইবোৰ দুৰ্বলতা মুক্ত পাক পবিত্ৰ মানুহৰ বাবেই দয়াৰ দ্বাৰ উন্মুচন কৰে। আৰু তাক আশ্ৰয় দান কৰি তাৰ পৰিচালনাৰ দায়িত্ব ভাৰ গ্ৰহন কৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- প্ৰকৃত আহমদী সকলৰ নিজৰ হৃদয় প্ৰত্যেক ধৰণৰ শিৰিক আৰু বিদাতৰ পৰা পবিত্ৰ হ'ব লাগিব। যি সকলে কয় যে আমি বহুত দুৱা কৰিছো কিন্তু সেয়া কবুল হোবা নাই। তেওঁ লোকে চালি জাৰি চাওঁক যে কৰবাত শিৰিক বিদাতৰ অংশ ৰৈ আছে নেকি, নাইবা আল্লাহ্ তায়লা সেই বিষয়ে নিষেধ কৰিছে নেকি? আকৌ এটাইত বৰ্ণনা কৰিছে যে জমাত প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্য হ'ল তাকওয়া প্ৰতিষ্ঠা কৰা। হজৰত

মছিহ মাওউদ (আঃ) য়ে কৈছে যে- এই ছিলছিলাৰ জৰিয়তে আল্লাহ তায়লা তাকওয়াৰ প্ৰতিষ্ঠা বিচাৰে আৰু মোৰ মাজত প্ৰকাশ কৰিছে যে তাকওয়া কম হৈ গৈছে। এই ছিলছিলাৰ একমাত্ৰ উদ্দেশ্য হ'ল তাকওয়া প্ৰতিষ্ঠা কৰা। হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰে যে আল্লাহ তায়লা মনস্থ কৰিছে যে পৃথিৱীক তাকওয়া আৰু পবিত্ৰতাৰ জীৱনাদৰ্শ দেখুৱায়। এই উদ্দেশ্যেই এই ছিলছিলাৰ শুভ আৰম্ভ কৰিছে। গতিকে আমি পৰ্যালোচানা কৰি চাব লাগিব যে আমি আমাৰ অৱস্থা এনেকুৱা গঢ়িব পাৰিছোনে, যে সেয়া তাকওয়া আৰু পবিত্ৰতাৰ আদৰ্শ স্বৰূপ হয়। আকৌ হুযুৰ আনোৱাৰ (আইঃ) য়ে নিজৰ জমাতখন কেনেকুৱা দেখুৱাব লাগিব সেই সম্পৰ্কে উল্লেখ কৰি বৰ্ণনা কৰে যে উক্ত ছিলছিলা আল্লাহ তায়লা নিজ হাতেৰে প্ৰতিষ্ঠা কৰিছে। কিন্তু আমি দেখিবলৈ পাইছো কিছুমান মানুহ নেকি আৰু তাকওয়া অৰ্জন কৰিবলৈ ইয়ালৈ নাহে, আহে মাত্ৰ নিজৰ স্বাৰ্থ আদায় কৰাৰ বাবে। যদি সেই উদ্দেশ্য পূৰ্ণ হয় তেন্তে ভাল আৰু যদি নহয় তেন্তে কিহৰ ঈমান আৰু কিহৰ ধৰ্ম সকলো এৰি গুচি যায়। কিন্তু চাহাবা সকলৰ জীৱনলৈ লক্ষ্য কৰিলে এনেকুৱা ঘটনা এটাও চকুত নপৰে। তেখেত সকলে এনে কৰ্ম কেতিয়াও কৰা নাছিল। আমালোকৰ বয়াত হ'ল বয়াতে তত্তবা। কিন্তু তেখেত সকলৰ বয়াত আছিল আত্ম উচ্চগৰ্াৰ বয়াত। তেখেত সকলৰ নিজৰ মান-সন্মানৰ ভয় নাছিল, নাছিল ক্ষমতাৰ লিপ্সা, নাছিল পদ পোৱাৰ ইচ্ছা। কেৱল এটাই উদ্দশ্য আছিল যে ইছলামৰ বাবে ধন মাল, প্ৰাণ, সন্মান, সকলো উচ্চগৰ্া কৰিম। গতিকে পদাধিকাৰী সকলেও এই ফালে মনযোগ দিব লাগিব।

হুযুৰ আনোৱাৰ (আইঃ) যে অসীম বেদনাৰে সৈতে উল্লেখ কৰিছে যে- পবিত্ৰ চৰিত্ৰ গঠন, নেকিৰ ওপৰত প্ৰতিষ্ঠিত হোৱা, পস্কিলতা দুৰ কৰাৰ ক্ষেত্ৰত হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে- যিজন ব্যক্তিয়ে নিজৰ চুবুৰীয়াক নিজৰ চৰিত্ৰত পবিত্ৰ পৰিবৰ্তন সাধিত হোৱা দেখুৱায় যে অতীতত কি আছিলো আৰু এতিয়া কেনেকুৱা হৈছো সেয়াও এটা কেৰামত। যেতিয়া কোনো ব্যক্তিয়ে ছিলছিলাৰ অন্তৰ্ভুক্ত হৈ ছিলছিলাৰ গুৰুত্ব আৰু সন্মানৰ প্ৰতি দৃষ্টি নিদিয়ে আৰু বিৰুধী কামত লিপ্ত হয় তেওঁ আল্লাহ তায়লাৰ ওচৰত ধৃত হ'ব। কাৰণ তেওঁ কেৱল নিজয়েই ক্ষতি সাধন কৰা নাই বৰং বেলেগৰ বাবে বেয়া আদৰ্শ হৈ পৰে আৰু হিদায়তৰ পৰা আনক বঞ্চিত কৰে। গতিকে যিমান দুৰ সম্ভৱ নিজৰ পুৰ্ণ শক্তিৰে খোদা তায়লাৰ সহায় ভিক্ষা কৰি দুৰ্বলতাবোৰ দুৰীভূত কৰিবলৈ চেষ্টা কৰা। হিয়াৰ কৰুণ বিননিৰে সৈতে উঠোৱা হাত (যিটো সত্য আৰু বিশ্বাসেৰে পৰিপূৰ্ণ) শূন্য ঘুৰি নাহে। যদি কোনো ব্যক্তিয়ে নিজৰ প্ৰাণৰ বাবে সঞ্জীৱণী সুধা সৌহাৰ্দ্য বিচাৰি নাপায় তেৱেঁই অধম। যদি মই কোনো উত্তম কল্যাণৰ বাট দেখা পাওঁ তেন্তে মোৰ দায়িত্ব হ'ব সেয়া মানুহক মাতি-মাতি জনাওঁ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - নিজৰ মাজত পবিত্ৰ আদৰ্শ গঢ়ি লৈ তবলিগৰ হ'ক আদায় কৰিব লাগিব। এয়া প্ৰত্যেক আহমদীৰ দায়িত্ব। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে- যদি কোনেও নশুনে তথাপি আমি আমাৰ কাম অৰ্থাৎ বাৰ্তা প্ৰেৰণ কৰি থাকিব লাগিব। কিন্তু এয়া কৰিব লাগিব জমাতৰ হৈ নিজৰ মাজত উচ্চ পৰ্যায়ৰ আদৰ্শ স্থাপন কৰি তেতিয়াহে লোকৰ দৃষ্টি আমাৰ ওপৰত পৰিব।

হজৰত মছিহ মাওউদ (আঃ) য়ে কয় যে- ইলহাম ঃ- ''**আলাল্লাজিনা উলুৱানৰাছ তাকবাৰ**'' আছিল তাউন সম্পৰ্কে আৰবী ইলহাম। অৰ্থাৎ যিজন তোৰ ঘৰৰ ভিতৰত আহিব, তাক মই ৰক্ষা কৰিম। কিন্তু যি সকলে নিজকে উচ্চ বুলি ভাৱিছে, (তেখেত (আঃ) য়ে ব্যাখ্যা কৰিছে) আনুগত্য কৰা নাই, সিহঁতৰ বাবে এই নিৰ্দেশ কাৰ্যকৰী নহয়। সেই বাবে নিৰ্দেশ দিছে - **কিছতি নুহ** কিতাপ খন পঢ়িবলৈ আৰু কোৰ'আন মজিদ পাঠ কৰি সেই অনুসৰি আমল কৰিবলৈ তুমি নিজৰ কউমৰ বাবে যি অসন্মান, অপদস্থ মূৰ পাতি লৈছা, সেয়া লৈও যদি খোদা তায়লাৰ সৈতে তোমাৰ সম্পৰ্ক পৰিস্কাৰ নহয় আৰু খোদাৰ (ৰহমত) কৃপা কৰুণাৰ তলত ছাঁ নোপোৱা তেন্তে এয়া কেনে ধৰণৰ বিপদ আৰু সমস্যা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- আমি নতুন-পুৰণি সকলো আহমদী সকলৰ চালি-জাৰি চোৱা উচিত যে আমি যেতিয়ালৈকে (হজৰত মছিহ মাওউদ (আঃ)ক মান্য কৰি) নিজৰ আমল সংশোধন নকৰিম তেতিয়ালৈকে

বৰাকাত আৰু কল্যাণ লাভ কৰিব নোৱাৰিম যিবোৰ হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াত গ্ৰহণৰ ফলস্বৰূপে লাভ কৰাৰ কথা। আমি প্ৰত্যেকেই প্ৰতিশ্ৰুতি বদ্ধ যে দ্বীনক দুনিয়াৰ ওপৰত প্ৰধান্য দিম। খোদ্দামুল আহমদীয়া, আনছাৰ উল্লাহ সকলোৱে এই শপত গ্ৰহণ কৰো, লাজনা সকলেও এই শপত গ্ৰহন কৰে। বয়াত গ্ৰহনৰ সময়তো এই শপত গ্ৰহন কৰা হয়। যদি উক্ত শপত ৰক্ষা কৰা হয়, আমানতৰ দায়িত্ব ৰক্ষা কৰা হয় আৰু পদাধিকাৰী সকলে নিজৰ পদৰ আমানত ৰক্ষা কৰিলে, সাধাৰণ আহমদী সকলে নিজকে আদৰ্শবান ৰূপে গঢ়ি তোলাৰ দায়িত্ব বহন কৰিলে কাৰোবাবে প্ৰতাৰণাৰ কাৰণ নহয়। যদি সচাঁকৈয়ে এনেকুৱা হয় তেন্তে ঈমানৰ পাতি পাদক বৃক্ষত প্ৰতিষ্ঠিত হৈ থিয় দিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- গতিকে আমি নিজৰ মাজত কোমলতাৰ সৃষ্টি কৰা প্ৰয়োজন আছে। কাৰণ ইয়াৰ দ্বাৰা আমি নিজৰ আত্ম-নিৱেদনৰ দায়িত্ব পালন কৰিব পাৰিম। ঈমানৰ ক্ষেত্ৰত উন্নতি সাধন কৰিব পাৰিম। যিবোৰ দুষিত সমস্যাই আজি আমাক চাৰিওফালেৰে জৰ্জৰিত কৰিছে, টি.ভি, ইন্টাৰনেট আদিৰ জৰিয়তে ঘৰে-ঘৰে সোমাই পৰিছে, সেইবোৰৰ হাত হাৰিব পাৰিম। ঈমানৰ উন্নতিৰ বাবে তেতিয়াহে আমি ফলে-ফুলে জাতিস্কাৰ ডালত পৰিণত হ'ব পাৰিম। আল্লাহ তায়লাৰ কৃপাত নিজৰ আৰু নিজৰ বংশধৰ সকলক ইহলোক পৰলোক সুন্দৰ ভাৱে গঢ়ি দিব পাৰিম। হজৰত মছিহ মাওউদ (আঃ) য়ে ছিলছিলাৰ উজ্জ্বল ভৱিষ্যত সম্পৰ্কে খবৰ দিবলৈ গৈ উল্লেখ কৰিছে যে- উক্ত যুগ হ'ল আধ্যাত্মিক প্ৰতিযোগীতাৰ যুগ। চয়তানৰ লগত যুদ্ধই পাতনি মেলিছে। চয়তানে অস্ত্ৰ-শস্ত্ৰলৈ ইছলামৰ দূৰ্গত আক্ৰমন চলাইছে। ইছলামক পৰাজিত কৰিব বিচাৰে কিন্তু আল্লাহ তায়লা এতিয়া চয়তানক এয়া শেষ যুদ্ধত চিৰদিনৰ বাবে পৰাজিত কৰি বিদায় দিবলৈ উক্ত ছিলছিলা প্ৰতিষ্ঠা কৰিছে।

আল্লাহ তায়লা আমাক আমাৰ ঈমান সুদৃঢ় ৰখাৰ শক্তি প্ৰদান কৰক। আল্লাহ তায়লাৰ আদেশ-নিষেধৰ ওপৰত আমল কৰি তাঁৰ সন্তোষ্টি অৰ্জনকাৰী বনাওঁক। হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াত গ্ৰহনৰ হ'ক আদায় কাৰী বনাওঁক। নিজৰ আমলেৰে বিশ্ববাসীক সত্যৰ বাট প্ৰদৰ্শন কাৰী বনাওঁক। আল্লাহ তায়লা আমালোকক কৃপাৰ্থ কাৰি তাঁৰ প্ৰশংসাকাৰী ৰূপে গঢ়ি তোলক। আল্লাহ তায়লা আমালোকক এইবোৰ সকলোতে সামৰ্থ দান কৰক। (আমিন)

**********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 6th May 2016**

**Book Post (Printed Matter)**

To

______________________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV , Bongaigaon Assam 783384. M:-+919864337890**